নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আমাক খুতবা এ হাজাত শিকাইছেঃ

আব্দুল্লাহ বিন মাছউদ -ৰাদ্বিয়াল্লাহু আনহু -ৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আমাক খুতবা এ হাজাত শিকাইছেঃ إِنَّ الحَمْدَ للهِ، نَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ، وَنَعُوْذُ بِهِ مِنْ شُرُوْرِ أَنْفُسِنَا، مَنْ يَهْدِ اللهُ فَلَا مُضِلَّ لَهُ، وَمَنْ يُضْلِلْ فَلَا هَادِيَ لَهُ، وَأَشْهَدُ أَنْ لَا إِلَهَ إِلَّا الله، وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ، {يَا أَيُّهَا النَّاسُ اتَّقُوا رَبَّكُمُ الَّذِي خَلَقَكُمْ مِنْ نَفْسٍ وَاحِدَةٍ وَخَلَقَ مِنْهَا زَوْجَهَا وَبَثَّ مِنْهُمَا رِجَالًا كَثِيرًا وَنِسَاءً وَاتَّقُوا اللَّهَ الَّذِي تَسَاءَلُونَ بِهِ والأرحام إن الله كان عليكم رقيبا} [النساء: 1]، {يَا أَيُّهَا الَّذِينَ آمَنُوا اتَّقُوا اللَّهَ حَقَّ تُقَاتِهِ وَلَا تَمُوتُنَّ إِلَّا وَأَنْتُمْ مُسْلِمُونَ} [آل عمران: 102]، {يَا أَيُّهَا الَّذِينَ آمَنُوا اتَّقُوا اللَّهَ وَقُولُوا قَوْلًا سَدِيدًا (70) يُصْلِحْ لَكُمْ أَعْمَالَكُمْ وَيَغْفِرْ لَكُمْ ذُنُوبَكُمْ وَمَنْ يُطِعِ اللَّهَ وَرَسُولَهُ فَقَدْ فَازَ فَوْزًا عَظِيمًا} [الأحزاب:70 - 71] নিশ্চয় সকলো ধৰণৰ প্ৰশংসা একমাত্ৰ আল্লাহৰেই প্ৰাপ্য, আমি তেওঁৰ ওচৰতেই সহায় প্ৰাৰ্থনা কৰোঁ আৰু তেওঁৰ ওচৰতেই ক্ষমা প্ৰাৰ্থনা কৰোঁ, লগতে আমি আমাৰ নফছৰ অনিষ্টতাৰ পৰা তেওঁৰ ওচৰতেই আশ্ৰয় প্ৰাৰ্থনা কৰোঁ। যাক আল্লাহে হিদায়ত প্ৰদান কৰে, তাক কোনেও পথভ্ৰষ্ট কৰিব নোৱাৰে। আনহাতে যাক তেওঁ পথভ্ৰষ্ট কৰে, তাক কোনেও হিদায়ত দিব নোৱাৰে। মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, লগতে আৰু সাক্ষ্য দিওঁ যে, মুহাম্মদ হৈছে আল্লাহৰ ৰাছুল আৰু তেওঁৰ বান্দা। "হে মানৱ! তোমালোকে নিজ প্ৰতিপালকৰ তাক্বৱা অৱলম্বন কৰা, যিজনে তোমালোকক এটা প্ৰাণৰ পৰা সৃষ্টি কৰিছে আৰু তাৰ পৰা তেওঁৰ স্ত্ৰী সৃষ্টি কৰিছে আৰু তেওঁলোক দুজনৰ পৰা বহুতো নৰ -নাৰী বিস্তাৰ কৰিছে; তোমালোকে আল্লাহৰ তাক্বৱা অৱলম্বন কৰা যাৰ নামৰ দোহাই দি তোমালোকে পৰস্পৰে অধিকাৰ সাব্যস্ত কৰা, লগতে তেজ-সম্পৰ্কীয় আত্মীয়তা ছিন্ন কৰাৰ ক্ষেত্ৰতো ভয় কৰা। নিশ্চয় আল্লাহ তোমালোকৰ ওপৰত পৰ্যবেক্ষক।" (ছুৰা নিছাঃ ১) "হে ঈমান্দাৰসকল! তোমালোকে যথাৰ্থভাৱে আল্লাহৰ তাক্বৱা অৱলম্বন কৰা আৰু তোমালোকে মুছলিম (পৰিপূৰ্ণ আত্মসমৰ্পণকাৰী) নোহোৱালৈকে মৃত্যুবৰণ নকৰিবা।" (ছুৰা আলে ইমৰাণঃ ১০২) "হে ঈমান্দাৰসকল! তোমালোকে আল্লাহৰ তাক্বৰা অৱলম্বন কৰা আৰু সঠিক কথা কোৱা; তেতিয়াহে তেওঁ তোমালোকৰ বাবে তোমালোকৰ আমলসমূহ সংশোধন কৰিব আৰু তোমালোকৰ পাপসমূহ ক্ষমা কৰি দিব। যি ব্যক্তিয়ে আল্লাহ আৰু তেওঁৰ ৰাছুলৰ আনুগত্য কৰে, তেওঁ নিশ্চয় মহা সফলতা অৰ্জন কৰিব।" (ছুৰা আহযাবঃ ৭০-৭১)

[ছহীহ] [رواه أبو داود والترمذي والنسائي وابن ماجه وأحمد]

আব্দুল্লাহ ইবনে মাছঊদ ৰাদ্বিয়াল্লাহু আনহুৱে জনাইছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁলোকক খুতবা এ হাজাত শিকাইছে। খুতবায়ে হাজাতৰ দ্বাৰা দৰাচলতে সেইবোৰ বাক্যক বুজোৱা হৈছে যিবোৰ শব্দ ভাষণ তথা কোনো গুৰুত্বপূৰ্ণ কামৰ পূৰ্বে কোৱা হয়। উদাহৰণস্বৰূপে খুতবায়ে নিকাহ আৰু খুতবায়ে জুমুআহ আদি। এই খুতবাটোৰ ভিতৰত কেইবাটাও গুৰুত্বপূৰ্ণ কথা নিহিত হৈ আছে। যেনে - এই কথা বৰ্ণনা কৰা হৈছে যে, সকলো ধৰণৰ প্ৰশংসা একমাত্ৰ আল্লাহৰেই প্ৰাপ্য। একমাত্ৰ তেওঁৰ ওচৰতে সহায় প্ৰাৰ্থনাৰ কথা কোৱা হৈছে। তেওঁ একক তথা অদ্বিতীয়, তেওঁৰ কোনো অংশীদাৰ নাই। গুনাহ মাৰ্জনা কৰিবলৈ তথা আওকাণ কৰিবলৈ কোৱা হৈছে। এইদৰে নফছৰ অনিষ্টতাৰ লগতে সকলো প্ৰকাৰ অনিষ্টতাৰ পৰা তেওঁৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰাৰ কথা কোৱা হৈছে। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, হিদায়ত হৈছে আল্লাহৰ হাতত। তেওঁ যাক হিদায়ত দিয়ে, তাক পথভ্ৰষ্ট কৰিব পৰা কোনো নাই,

আনহাতে তেওঁ যাক পথভ্ৰষ্ট কৰে, তাক হিদায়ত দিব পৰা কোনো নাই। ইয়াৰ পিছত তাওহীদৰ সাক্ষ্য দানৰ কথা কোৱা হৈছে। অৰ্থাৎ আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। লগতে এই সাক্ষ্য প্ৰদান কৰা যে, মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে আল্লাহৰ বান্দা আৰু তেওঁৰ ৰাছুল। ইয়াৰ পিছত তেখেতে তিনিটা আয়াতৰ জৰিয়তে এই খুতবা সমাপ্ত কৰিছে। য'ত প্ৰথমেই সৰ্বশক্তিমান আল্লাহৰ তাক্বৱা অৱলম্বনৰ কথা কোৱা হৈছে, তথা তেওঁৰ সন্তুষ্টি অৰ্জন কৰাৰ লক্ষৰে তেওঁৰ আদেশ পালন কৰিবলৈ আৰু তেওঁৰ নিষেধকৃত বিষয়সমূহৰ পৰা আঁতৰি থাকিবলৈ কোৱা হৈছে। ইয়াৰ প্ৰতিদান হিচাপে কোৱা হৈছে যে, যিয়ে এইখিনি কাম কৰিব ইয়াৰ বিনিময়ত তাৰ কথা আৰু কৰ্ম সংশোধন হ'ব, পাপকৰ্ম মোচন হ'ব আৰু গুনাহসমূহ ক্ষমা হ'ব, লগতে পৃথিৱীত পৱিত্ৰ জীৱন লাভ কৰিব আৰু কিয়ামতৰ দিনা জান্নাতত প্ৰৱেশ কৰি সফলতা লাভ কৰিব।

http://sunnah.global/hadeeth/as/show/58060